# পৰিৱেশ্য কলা হিচাপে পাতি ৰাভাৰ লোংদেও পূজা

দীপিকা ৰাভা

**অৱতৰণিকা ঃ**

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত বাস কৰা তিব্বত বৰ্মীয় ভাষাৰ অন্তৰ্গত বড়ো শাখাৰ এটি বিশেষ উপশাখা হ'ল ৰাভা লোকসকল। ৰাভা জনগোষ্ঠীৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মতামত দিয়া দেখা যায়। বিশিষ্ট সাহিত্যিক ধনঞ্জয় ৰাভাই 'ৰাভা জনজাতিৰ চমু ইতিহাস' নামৰ গ্ৰন্থত উল্লেখ কৰিছে যে, এটি জনশ্ৰুতি কাহিনী মতে তেওঁলোকৰ 'আৱামিগ' (আদিপুৰুষ) 'মোছে'ৰ বংশ পৰিয়ালসকলক তেওঁলোকৰ আদিম আৰু প্ৰধান আৰাধ্য দেৱতা 'ৰিছি'য়ে 'ৰাংক্ৰাঙ'ৰ (স্বৰ্গৰ) পৰা পৃথিৱীলৈ নমাই আনে। লগে লগে 'কোচ্ছে' ৰ ভায়েক 'মেচ্ছে'ৰ বংশ পৰিয়ালেও পিছে পিছে অনুসৰণ কৰি পৃথিৱীলৈ নামি আহে। ৰাভা ভাষাত ৰাবা মানে আনা। 'কোচ্ছে' ৰ বংশ পৰিয়ালক এই দৰে স্বৰ্গৰ পৰা পৃথিৱীলৈ নমাই অনা হৈছিল কাৰণে তেওঁলোক ৰাবা 〉 ৰাভা বুলি জনা যায়।[১] বহুত পণ্ডিতৰ মতে জাতিটোৰ প্ৰাচীন নাম কোচ কোচা কুবাচ। তেওঁলোক হ'ল কিৰাত বংশোদ্ভুত।[২]

ৰাভাসকলক কেইবাটাও ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল ৰংদানী, মায়তৰী, পাতি, কোচ, বিটলীয়া, হানা, টোটলা, দাহুৰী, মদাহী আদি। বৰ্তমান অকল ৰংদানী, মায়তৰী, কোচ ৰাভা ভাষীসকলৰ মাজতহে ৰাভা ভাষাৰ প্ৰচলন আছে। বাকীকেইটা ভাগ অতীজতে নিজস্ব ভাষা কব এৰি অসমীয়া ভাষাকে মাতৃভাষা হিচাপে গ্ৰহণ কৰিছে। তেওঁলোকে সামাজিক, সাংস্কৃতিক ধৰ্মীয় কাম-কাজত অসমীয়া ভাষাকে ব্যৱহাৰ কৰিলেও বিশেষকৈ কামৰূপ আৰু গোৱালপাৰা জিলাত বাস কৰা পাতি ৰাভাসকলে নৃগোষ্ঠীয় উপভাষা 'ৰাভামিজ' ব্যৱহাৰ কৰে। তেওঁলোকৰ পূজা-পাতলৰ গীত, ৰং-ৰইচৰ গীত, বহুৰঙী গীতবোৰ ৰাভামিজত ৰচিত।

ৰাভাসকলৰ মাজত প্ৰচলিত বিভিন্ন আখ্যান, কাহিনী, জনশ্ৰুতি, লোককথা, গীত-মাত, লোক-বিশ্বাস আদিৰ আধাৰত সৃষ্টি হোৱা বিভিন্ন সাহিত্য-সংস্কৃতিয়ে ৰাভাসকলৰ লোক-সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে অসমীয়া সাহিত্য সংস্কৃতিৰ বৰপথাৰত স্বকীয় মহিমাৰে জিলিকি থাকিবলৈ সক্ষম হৈছে।

দক্ষিণ কামৰূপৰ বকো থানাৰ অন্তৰ্গত ঐতিহাসিক অঞ্চল হ'ল হাহিম। হাহিম নামটোৰ হয়তো এটা ইতিহাস লুকাই আছে। সুন্দৰ প্ৰাকৃতিক শোভাৰে শোভিত এই অঞ্চল। এই বিশাল অঞ্চলত পাতি ৰাভা লোকসকল বসবাস কৰে। তেওঁলোকৰ সাংস্কৃতিক দিশো বৈচিত্ৰপূৰ্ণ। ইয়াৰ লোকসকলে বছৰত বিভিন্ন পূজা পাতল কৰা দেখা যায়। বিশেষকৈ মাৰে পূজা, তুকুৰীয়া পূজা, কেঁচাইখাইতী পূজা, ঘৰ গোঁসানী, খোক্‌চি, কামাখ্যা, লাঙামাৰা আদি পূজা ঘৰুৱাভাৱে বা সমূহীয়াভাৱে বছৰত এবাৰ পালন কৰে। মাৰে পূজাৰ লগত সংগতি ৰাখি হাহিম অঞ্চলৰ বাকৰাপাৰা গাঁৱৰ ৰাইজে লোংদেও পূজা অনুষ্ঠিত কৰে। এই পূজা এদিনতে শেষ কৰে। লোংদেও মানে হ'ল 'শিৱ'। লোংদেও বা লেংদেও বুলি ইয়াৰ স্থানীয় লোকসকলে কয়। লোং বা লেং শব্দটো ৰাভাসকলৰ লেংটা শব্দৰ পৰা আহিছে। লেংটা মানে হ'ল উলংগ। ইয়াত শিৱই লেংটা বা দেহত নামমাত্ৰ বস্ত্ৰ পৰিধান কৰি গাৰোৱানীসকলৰ লগত জলক্ৰীড়া কৰিছিল কাৰণে এই পূজাত শিৱক লোংদেও বা লেংদেও ৰূপে নামকৰণ কৰি পূজা আৰাধনা কৰা হয়। ইয়াত নৃত্য আৰু গীত অপৰিহাৰ্য। এই পূজাত কৰা নৃত্য গাৰোসকলৰ নৃত্যৰ লগত সাদৃস্য আছে আৰু পূজাত গোৱা গীতবোৰ বৰ অশ্লীল। সাধাৰণতে নৃত্য আৰু গীত পৰিৱেশন কৰাৰ সময়ত মহিলা বা কণ কণ ল'ৰা ছোৱালী পূজা থলীত যাব দিয়া নহয়। গানবোৰ অশ্লীল হ'লেও পূজাত গোৱাটো অপৰিহাৰ্য। নহ'লে দেও ৰাইজৰ ওপৰত অসন্তুষ্টি হৈ গাঁৱত অপকাৰ কৰিব পাৰে। ইয়াত মাৰে পূজাৰ দেওধনীয়ে নৃত্যৰ সময়ত গাৰোৱানীৰ ৰূপত অংশ গ্ৰহণ কৰে।

লোংদেও পূজাৰ উদ্দেশ্য আৰু গুৰুত্ব আছে। এই পূজা বাকৰাপাৰা গাঁৱৰ ৰাইজে অতি প্ৰাচীন কালৰে পৰা আজিও পৰম্পৰাগতভাৱে কোনো আধুনিকতাৰ পৰশ নপৰাকৈ প্ৰতি বছৰে পালন কৰি আহিছে। ইয়াৰ কোনো মন্দিৰ নাই বা কোনো মূৰ্ত্তি নাই। ৰাভাসকল জড় উপাসক কাৰণে শিল বা গছক প্ৰতীক হিচাপে স্থাপন কৰি পূজা আৰাধনা কৰে। এই পূজাৰ এক বিজ্ঞান সন্মত অধ্যয়নৰ প্ৰয়োজনীতা আছে। ইয়াৰ নৃত্য আৰু গীতবোৰৰ মাজত বিভিন্ন গৱেষণাৰ থল আছে। ইয়াৰ উৎপত্তি, জনশ্ৰুতি, লোকবিশ্বাস মন কৰিবলগীয়া। ইয়াৰ গীতবোৰৰ মাজত লুকাই থকা সুৰ, তাল লগতে বিভিন্ন নাৰী বা পুৰুষৰ গুপ্ত অংগক লৈ গোৱা গীতবোৰৰ এক বিজ্ঞান সন্মত অধ্যয়নৰ থল আছে বুলিয়ে ভাবি এই বিষয়টো নিৰ্বাচন কৰি লোৱা হৈছে।

**লোক কাহিনী বা জনশ্ৰুতি ঃ**

প্ৰবাদ আছে যে অতি প্ৰাচীন কালত অসমৰ অন্যতম জনজাতি গাৰো লোকসকলে এই লোংদেও পূজা কৰিছিল। লোংদেও মানে হ'ল শিৱ। যাক ৰাভাসকলে লেংটা শিৱ বুলি কয়। মানুহৰ মুখে মুখে চলি অহা এক জনশ্ৰুতি মতে শিৱই নিজৰা বা জুৰিত গাৰো আৰু খাচী মহিলাসকলৰ লগত নাম মাত্ৰ বস্ত্ৰ পৰিধান কৰি গা ধুইছিল আৰু জলক্ৰীড়া কৰিছিল। পৰৱৰ্তী কালত গাৰোসকলে শিৱ পূজা কৰিবলৈ লয় আৰু লোংদেও পূজা পালন কৰিছিল।[৩] খৃষ্টীয়ান ধৰ্ম গ্ৰহণ কৰাৰ ফলত গাৰো বা খাচীসকলে এই পূজা কৰিবলৈ এৰি পেলোৱাত ভৈয়ামত বাস কৰা ৰাভাসকলে এই পূজা কৰিবলৈ আৰম্ভ কৰে আৰু প্ৰতিবছৰে মাৰে পূজাৰ লগত সংগতি ৰাখি দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত এই পূজা অনুষ্ঠিত কৰে। এই পূজাত গীতৰ তালে তালে নৃত্য প্ৰদৰ্শন কৰা হয়। গীতবোৰ বৰ অশ্লীল। অশ্লীল হ'লেও গীতবোৰৰ মাজত ৰাভাসকলৰ সামাজিক আৰু আৰ্থ সামাজিক দিশ প্ৰতিফলন হোৱা দেখা যায়। তাৰোপৰি পূজাথলীত এই গীত গোৱাতো অপৰিহাৰ্য নহ'লে দেও অসন্তুষ্টি হ'ব আৰু ৰাইজৰ অপকাৰ সাধন কৰিব।

**নৃত্য ঃ**

লোংদেও পূজাৰ লগত সংগতি ৰাখি দেৱতাৰ সন্তুষ্টিৰ কাৰণে নৃত্য কৰা হয়। এই নৃত্য গাঁৱৰ এজন পুৰুষে কৰে। ঢোলৰ চেৱে চেৱে মাৰে গানৰ দেওধনীৰ লগত পুৰুষজনে নৃত্য কৰে। নৃত্যৰ সময়ত গীত গায়। গীতৰ লগত নৃত্যৰ তাল ৰাখি দেওধনীৰ লগত কিছু অভিনয় কৰে। গীত আৰু নৃত্যৰ তালে তালে পুৰুষজনে দেওধনীক সাবটি ধৰে আৰু চুমাও খায়। গাৰো জনগোষ্ঠীৰ নৃত্যৰ লগত ইয়াৰ যথেষ্ট সাদৃস্য আছে। পুৰুষজন লোংদেও বা শিৱ আৰু দেওধনী গাৰো মহিলাৰ প্ৰতীক হিচাপে লৈ নৃত্য কৰা হয়। নৃত্যৰ সময়ত পুৰুষজনে হাতত এখন দা লয়। নৃত্যৰ সময়ত হাত আৰু ভৰিৰ অংগ সঞ্চালন কৰে। নৃত্যৰ সময়ত ঢোল ব্যৱহাৰ কৰে।[৪]

**সাজপাৰ ঃ**

লোংদেও নৃত্যত নিৰ্দিষ্ট সাজপাৰ পৰিধান কৰে। এই নৃত্যত দেওধনীৰ বাহিৰে আন মহিলাই অংশ গ্ৰহণ নকৰে। সাধাৰণতে নৃত্য পৰিবেশন কৰা পুৰুষজনে গামোচা পৰিধান কৰে। দেহত নাম মাত্ৰ বস্ত্ৰ পিন্ধি তপিনা দুখন উলিয়াই লৈ গাৰো লিংটি মাৰে। গাৰোসকলে তেওঁলোকৰ কিছুমান নৃত্যত এনেদৰে গাৰো লিংটি মাৰে। তপিনাত পিঠাগুৰিৰে আক-বাক আকিঁ লয় লগতে গোটেই গাটোতে পিঠাগুৰি আৰু চূণ সানি লয়। তেনেদৰে নৃত্য কৰাৰ সময়ত দেওধনীয়ে ৰঙা মেখেলা পিন্ধি লয়। মেখেলাখন মজু ফুলৰ হ'ব লাগিব।

**গীত ঃ**

লোংদেও পূজাত গোৱা গীতবোৰ অশ্লীল হ'লেও পূজা অনুষ্ঠানত গোৱাটো

অপৰিহাৰ্য। পৰম্পৰা ৰক্ষা কৰি এই গীতবোৰ আজিও এটা চামৰ পৰা আন এটা চামে বহন কৰি আহিছে। প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক থকা ৰাভাসকলৰ বিভিন্ন গছ- লতা, জীৱ-জন্তু, চৰাই- চিৰিকতি আদিৰ উল্লেখ থকাৰ লগতে পুৰুষ স্ত্ৰীৰ বিভিন্ন গুপ্ত অংগ গীতবোৰৰ মাজত অন্তৰ্নিহিত হৈ আছে। গীতবোৰত ছন্দ, অলংকাৰৰ প্ৰয়োগ মনকৰিবলগীয়া। এই গীতবোৰৰ বৰ্তমান সংগ্ৰহ বা সংৰক্ষণৰ বৰ প্ৰয়োজন হৈ পৰিছে। এচাম জনালোকে আনৰ আগত গীতবোৰ গাই শুনাবলৈ সংকোচবোধ কৰে। পূজাত মদ অপৰিহাৰ্য কাৰণে নৃত্যৰ সময়ত মদ খাই নিচাত মতলীয়া হৈ গীত পৰিৱেশন কৰে। গীতবোৰ এনেধৰণৰ—

১ নং গান ঃ

দে মাহী দে
খেনেক লাৰংদে
গাঁওবুঢ়াৰ দুটা তিৰী
এটা চাৰে গৰু (হে হে হৈ হে)

২ নং গান ঃ

লাঙামাৰাৰ আগতে
বান্দৰ হেকে কাই
বুঢ়ী বান্দৰ বহি আছে
........ বেলকাই।

৩ নং গান ঃ

নালাপাৰা পাথাৰত
দাঙ ৰালং বাৰা
দুই ফেৰাৰ মাজতে
........ উচৰিঙা গাৰা। (হে হে এই)

৪ নং গান ঃ

নালাপাৰা পথাৰত
বান্দৰ হেকে কাই
বুঢ়ী বান্দৰ বহি আছে
........ বেলকাই। (হে হে হৈ)

৫ নং গান ঃ

হান্দালাতে পৰি আছে
কাণ লাগা হুদু
বুকুৰ মাংস বাঢ়ী
তাকে বলে ......... ( হে হে)

৬ নং গান ঃ

শাল গছৰ লিঘুম
খালাং চাকুম চাকুম
বুঢ়া ........ সুমাবা
কাই দিছে হুকুম। (হো হো হো)

৭ নং গান ঃ

তাৰাবাৰীৰ মাজতে
তাৰা খৰ খৰাই
চিঙিৰী আপী দেখা পালে
........ ধৰফৰায় (হে হে হে)

৮ নং গান ঃ

আলি আলি নেবেৰাবি
আলি ভাঙিব
চেঙেৰী আপী নোজকাবি দাই লাগিব।
দে মাহী দেই খেনেক লাৰং দে
গাঁও বুঢ়াৰ দুই তিৰী
এট চাৰে গৰু (হৈ হৈ হৈ)।[৫]

('........' এই চিন দিয়া অংশৰ কথাখিনি বৰ অশ্লীল বাবে লিপিবদ্ধ কৰা নহ'ল।)

**লোক বিশ্বাস ঃ**

সাধাৰণতে যি অঞ্চলত এই পূজা অনুষ্ঠিত কৰা হয় সেই অঞ্চলৰ মানুহৰ যদি কাৰোবাৰ গৰু হেৰায় বা কোনো মানুহৰ বেমাৰ আজাৰ হয় তেনেহ'লে লোং দেওৰ

নামত শুৱনি কৰি থয়। শুৱনিত দুটা বগা ডেকেৰা কুকুৰা আৰু এখন জোণ্ডামদ, তেল সেন্দূৰ আৰু ধূপ-ধুনা, পিঠা আদি মানস কৰে। মানস কৰি যোৱাৰ পিছত গৰুটো পালে বা বেমাৰ আজাৰ ভাল হোৱাৰ পিছত দেওৰ নামত পূজা অৰ্চনা কৰে। শুৱনিবোৰ মানুহবোৰে পূজাৰ দিনা আগবঢ়ায়।[৫]

**সামৰণি ঃ**

লোক পৰিবেশ্য কলা প্ৰত্যেক জাতি জনগোষ্ঠীৰে সমাজৰ দাপোণ স্বৰূপ। এইবোৰৰ মাজতে এটা জাতিৰ সাংস্কৃতিক আৰু লোক মনৰ পৰিচয় পোৱা যায়। বৰ্ত্তমান যান্ত্ৰিকতাৰ যুগত পৰিবেশ্য কলাৰ মাজতে পৰিবৰ্তন দেখা গৈছে। এফালে পৰম্পৰা আৰু আনফালে পৰিৰ্বতন, তাৰ মাজতে দক্ষিণ কামৰূপৰ কিছু অঞ্চলত এই পূজাৰ লগতে ইয়াৰ লগত জড়িত নৃত্য গীতসমূহক জীয়াই ৰাখিছে। এই প্ৰবন্ধটি যুগুত কৰোঁতে হাহিম অঞ্চলৰ বাকাৰাপাৰা গাঁৱত কৰা লোংদেও পূজাৰ লগতে ইয়াত পৰিৱেশন কৰা গীত, নৃত্যৰ সমল সেই অঞ্চলৰ স্থানীয় ব্যক্তিৰ পৰা সংগ্ৰহ কৰা হৈছে। গানবোৰত অশ্লীলতা লুকাই থাকিলেও এইবোৰ পাতি ৰাভাসকলৰ লোক মন তথা সামাজিক আৰু সাংস্কৃতিক জীৱনৰ চিত্ৰ নিহিত হৈ আছে। যাৰ কাৰণে এই পূজাৰ লগতে ইয়াৰ নৃত্য গীতবোৰৰ এক বিজ্ঞান সম্মত গৱেষণাৰ যথেষ্ট থল আছে বুলি ভবা হৈছে।। এইবোৰৰ গৱেষণাৰ জৰিয়তে নন তথ্য পোহৰলৈ আহিব। বৰ্ত্তমান হাহিম থানাৰ অন্তৰ্গত বাকাৰাপাৰা গাঁৱৰ ৰাইজে ইয়াৰ পৰম্পৰাক আজিও আটোম টোকাৰিকৈ জীয়াই ৰাখিছে। সময়ৰ সোঁতত ইয়াক বিলীন হৈ যাব দিয়া নাই। গীতবোৰৰ মাজত দক্ষিণ কামৰূপৰ পাতি ৰাভাসকলৰ 'ৰাভামিজ' ভাষাৰ প্ৰয়োগ মন কৰিবলগীয়া। তাৰোপৰি গীতবোৰৰ মাজত পুৰুষ নাৰীৰ গুপ্ত অংগৰ বিভিন্ন শব্দৰ প্ৰয়োগ দেখা যায়। গীতবোৰ ইমান ৰসাল যে এক শ্ৰেণীৰ লোকে ইয়াক শুনি আমোদ লাভ কৰে। বৰ্তমান বিভিন্ন সংগঠনবোৰে ইয়াৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। এচাম সচেতন বা গৱেষকসকলে গৱেষণাৰ বিষয় হিচাপে লৈ নন তথ্য পোহৰলৈ আনিলে ৰাভা লোক-সাহিত্যৰ ভঁৰাল সু-সমৃদ্ধ হ'ব।

**অন্ত্যটীকা ঃ**

১। ৰাভা, ধনঞ্জয় ঃ ৰাভা জনজাতিৰ চমু ইতিহাস, পৃ..- ২৬
২। সৰকাৰ, হৰিমোহন ঃ ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাষ, পৃ. - ০১
৩। সংবাদ দাতা ঃ ৰমেশ চন্দ্ৰ ৰাভা, বয়স- ৬৫, বাকৰাপাৰা, হাহিম।
৪। সংবাদ দাতা ঃ সতীশ ৰাভা, বয়স- ৭০, বাকৰাপাৰা, হাহিম।
৫। সংবাদ দাতা ঃ সতীশ ৰাভা, বয়স- ৭০, বাকৰাপাৰা, হাহিম।

৬। সংবাদ দাতা ঃ সতীশ ৰাভা, বয়স- ৭০, বাকৰাপাৰা, হাহিম।

**গ্ৰন্থপঞ্জী ঃ**

মজুমদাৰ, সূৰ্য্য কুমাৰ ঃ *দক্ষিণ কামৰূপৰ ৰাভা সংস্কৃতিত এভুমুকি*, প্ৰগতি গ্ৰন্থপীঠ, সৰপাৰা, কামৰূপ, ১৯৮৯ চন।

ৰাভা, ৰাজেন ঃ *ৰাভা জনজাতি*, অসম সাহিত্য সভা, ১৯৭৪ চন।

ৰাভা, প্ৰাণেশ্বৰ ঃ *মায়াবন্তী বিষহৰি*, বিষহৰি প্ৰকাশন, কাচাদল, গোৱালপাৰা, ১৯৮৭ চন।

ৰাভা ধনঞ্জয় ঃ *ৰাভা জনজাতিৰ চমু ইতিহাস*, AIRTSC, ১৯৯৮ চন।

শৰ্মা, নবীন চন্দ্ৰ ঃ *অসমৰ পৰিৱেশ্য কলা ওজাপালি*, বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, পাণবজাৰ, ১৯৯৬ চন।

সৰকাৰ, হৰিমোহন ঃ *ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস*, বীণাপানী ৰাভা, চিতলমাৰী বনগাঁও, ১৯৮৯ চন।